Prepp

Practice, Learn and Achieve Your Goal with Prepp

# UGC NET Exam

## Assamese

Simplifying
**Government Exams**

SSC CHSL | IAS EXAM | RRB NTPC | NTSE | CDS
SSC CGL | CBSE UGC NET | IBPS PO | NDA
SBI PO | IBPS CLERK | AFCAT | SSC JE | CTET
CSIR UGC NET | CAPF | IBPS RRB

www.prepp.in

# PAPER-II
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ____________________________
   (Name) ____________________________
2. (Signature) ____________________________
   (Name) ____________________________

OMR Sheet No. : ............................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.____________________________________
(In words)

**D 3 6 1 0**

Time : $1\,{}^{1}/_{4}$ hours] [Maximum Marks : **100**

Number of Pages in this Booklet : **12**

Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.
   **Example :** (A) (B) ⬤ (D)
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **Answer Sheet given inside the Paper I Booklet only.** If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your name or put any mark on any part of the test booklet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
9. You have to return the test question booklet and OMR Answer sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   उदाहरण : (A) (B) ⬤ (D)
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर केवल प्रश्न पत्र I के अन्दर दिये गये उत्तर-पत्रक पर ही अंकित करने हैं । यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं OMR उत्तर-पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें ।
10. केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।
11. किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।
12. गलत उत्तरों के लिए कोई अंक काटे नहीं जाएँगे ।



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

## ASSAMESE

## অসমীয়া

## Paper – II

## প্ৰশ্নকাকত– II

**Note :** This paper contains **fifty (50)** objective type questions, each question carrying **two (02)** marks. Attempt **all** the questions.

**টোকা :** এই প্ৰশ্ন-কাকতত বহু-বিকল্পীয় **(50) (পঞ্চাছ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক **(2) দুই** । **সকলো** প্ৰশ্নৰ উত্তৰ কৰিবা ।

তলৰ 1ৰ পৰা 20 লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D চাৰিটা বিকল্পীয় উত্তৰ দিয়া হৈছে । তাৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা ।

**1.** 'হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধগান ও দোহা' (১৯১৬) গ্ৰন্থখন প্ৰণয়ন কৰোঁতে নেপাল ৰাজদৰবাৰৰ পৰা সংগৃহীত মুঠ কেইখন পুথিৰ সহায় লোৱা হৈছিল ?

(A) তিনিখন (B) চাৰিখন

(C) পাঁচখন (D) ছ-খন

**2.** চৰ্য্যাগীতৰ ৰচকসকল বৌদ্ধধৰ্মৰ কোন পন্থৰ অনুগামী আছিল ?

(A) হীনযান পন্থ

(B) বজ্ৰযান পন্থ

(C) মহাযান পন্থ

(D) সহজযান পন্থ

**3.** তলত নাম দিয়া সকলৰ মাজৰ কোনজন পন্ডিতে 'চৰ্য্যাপদ' পুথি সম্পাদনা কৰি প্ৰকাশ কৰা নাই ?

(A) নীলৰতন সেন

(B) তাৰাপদ মুখোপাধ্যায়

(C) সুকুমাৰ সেন

(D) সুনীতিকুমাৰ চট্টোপাধ্যায়

**4.** 'শ্ৰীকৃষ্ণ-কীৰ্তন' পুথিখন পোন প্ৰথমবাৰৰ বাবে কোনে সম্পাদনা কৰি ১৯১৬ চনত প্ৰকাশ কৰিছিল ?

(A) হৰপ্ৰসাদ শাস্ত্ৰী

(B) প্ৰবোধ চন্দ্ৰ বাগচী

(C) মহম্মদ শ্বহিদুল্লাহ

(D) বসন্তৰঞ্জন ৰায়

**5.** 'সমস্ত ৰসক কোনে জানিবাক পাৰে ।
পক্ষীসৱ উৰয় যেন পখা অনুসাৰে ।।'
এই পদফাঁকি কাৰ ৰচনা ?

(A) ৰুদ্ৰ কন্দলি (B) শ্ৰীধৰ কন্দলি

(C) মাধৱ কন্দলি (D) অনন্ত কন্দলি

**6.** "কাঁপৰ গাৰি আগগোৰ সমে ৰ'ল, উপদেশ আচুঁফুল হ'ল । আগে উপদেশ নাই, শুভ শুভহে আছিল আধ্যাত, ছোট আতা দিচ্ছে" – কথাগুৰু চৰিতত পোৱা এই কথাষাৰ কোনখন পুথি সম্পৰ্কে কোৱা হৈছে ?

(A) দশম স্কন্ধ ভাগৱত

(B) মহাভাৰত

(C) বব্ৰুবাহনৰ যুদ্ধ

(D) ৰামায়ণ



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

7. (A) বিৰিঞ্চি কুমাৰ বৰুৱা

(B) নিৰ্মল প্ৰভা বৰদলৈ

(C) নবীন চন্দ্ৰ শৰ্মা

(D) লোকেশ্বৰ গগৈ

এই চাৰিওজন লোক সংস্কৃতিবিদে অসমৰ লোকসংস্কৃতিৰ বিষয়ে গ্ৰন্থ ৰচনা কৰিছে । এওঁলোকৰ মাজৰ তিনিজনৰ দ্বাৰা লিখিত গ্ৰন্থ তিনিখনৰ নাম একেটাই । কোনজন গ্ৰন্থকাৰে অন্য তিনিজনে দিয়া নাম ব্যৱহাৰ নকৰি সুকীয়া নামেৰে গ্ৰন্থ ৰচনা কৰিছে ?

8. (A) হৰদত্ত-বীৰদত্তৰ গীত

(B) মণিৰাম দেৱানৰ গীত

(C) বদন বৰফুকনৰ গীত

(D) বাৰমাহী গীত

- এই কেইবিধ গীতৰ কোনবিধ কাহিনী গীত শ্ৰেণীৰ নহয় ।

9. তলত নাম দিয়া চাৰি প্ৰকাৰ ওজাপালিৰ মাজৰ কোনবিধ মহাকাব্য আশ্ৰয়ী ওজাপালি নহয় ।

(A) ব্যাস ওজাপালি

(B) দুৰ্গাবতী

(C) সত্ৰীয়া

(D) তুকুৰীয়া ওজাপালি

10. বাইবেল পুথিৰ অসমীয়া ভাষাৰ প্ৰথম অনুবাদকজন আছিল

(A) নিধি লিবাই ফাৰৱেল

(B) নেথান ব্ৰাউন

(C) আত্মাৰাম শৰ্মা

(D) আনন্দৰাম ঢেকিয়াল ফুকন

11. 'কমেডী অব্ এৰৰছ'ৰ অসমীয়া অনুবাদ 'ভ্ৰমৰংগ' খনি কেইজন অনুবাদকে একেলগে অনুবাদ কৰিছিল -

(A) দুজন

(B) তিনিজন

(C) চাৰিজন

(D) পাঁচজন

12. 'ভাঙনি কোঁৱৰ' আখ্যা কোনজন কবিক দিয়া হৈছে ?

(A) বিনন্দ চন্দ্ৰ বৰুৱা

(B) আনন্দচন্দ্ৰ আগৰৱালা

(C) পদ্মধৰ চলিহা

(D) শৈলধৰ ৰাজখোৱা



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

13. ‘বক্রোক্তি কাব্যজীৱিতম’ বুলি কোৱা আলংকাৰিকজনৰ নাম -

(A) ভমেহ

(B) বামন

(C) কুন্তক

(D) আনন্দবৰ্দ্ধন

14. “পমিলা পমিলা তুমি সখীৰ প্ৰেমতে” – ইয়াত ব্যৱহৃত অলংকাৰবিধৰ নাম -

(A) যমক

(B) পুনৰুক্ত বদাভাস

(C) বক্রোক্তি

(D) কাকু

15. অসমীয়া সাহিত্যত ‘নতুন জীৱনী’ শ্ৰেণীৰ জীৱনীগ্ৰন্থ বুলি ক’ব পৰা গ্ৰন্থখন হ’ল -

(A) ‘মৰহা পাপৰি’

(B) ‘বৈজবৰুৱা মানুহজন’

(C) ‘মোৰ জীৱন দাপোন’

(D) ‘মোৰ জীৱন সোঁৱৰণ’

16. অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা হ’ল -

(A) এঘাৰটা

(B) বাৰটা

(C) ন-টা

(D) আঠোটা

17. মান্য অসমীয়াৰ ‘নাৰিকল’ শব্দ কামৰূপী উপভাষাত ‘নাইৰকল’ হোৱা পক্ৰিয়াটোক কোৱা হয় -

(A) স্বৰাগম

(B) অপিনিহিতি

(C) ধ্বনি বিপৰ্য্যয়

(D) স্বৰ সঙ্গতি

18. ‘Grammatical Notices of the Assamese Language’ নামৰ অসমীয়া ব্যাকৰণখনৰ প্ৰনেতাজন হ’ল

(A) উইলিয়াম ৰবিন্সন

(B) ড. মাইলছ ব্ৰন্সন

(C) নাথান ব্ৰাউন

(D) এ.কে. গাৰ্ণি

19. অসমীয়া ভাষাৰ স্বাৰ্থিক প্ৰত্যয় কেইটামানৰ উদাহৰণ -

(A) ডাল, ডালি, খন, খনি

(B) চোন, দেই, দেইবা

(C) বোৰ, বিলাক, গণ

(D) -অন, -অনি, -উৱা ।

20. অসমীয়া আখৰৰ গঢ় স্পষ্ট কৈ প্ৰতিফলন হোৱা প্ৰথম শিলালিপিখনৰ নাম -

(A) উমাচল শিলালিপি

(B) নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি

(C) কানাই বৰশীবোৱা শিলালিপি

(D) বৰগঙ্গা শিলালিপি



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

তলৰ 21 ৰ পৰা 25-লৈ থকা প্ৰশ্নসমূহত দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্য কাৰণ নিৰ্ণয় কৰি A, B, C, D চাৰিটা বিকল্প দিয়া হৈছে । তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা :

**21.** "দুৰ্ভাগ্যৰ কথা, কবি হেমচন্দ্ৰ গোস্বামী আধুনিক অসমীয়া ভাষা-সাহিত্যৰ 'আনুষ্ঠানিক' বুনিয়াদ প্ৰতিষ্ঠাৰ পাণ্ডিত্যমুখী গদ্যময় সংগ্ৰামত সোনকালেই হেৰাই যাবলগীয়া হ'ল ।"

কাৰণ তেওঁ

(A) সাহিত্য চৰ্চা ত্যাগ কৰী অসমীয়া ভাষা সুৰক্ষা সংগ্ৰামত অধিক মনোনিৱেশ কৰিছিল ।

(B) সৃষ্টিশীল সাহিত্য ৰচনা কৰিবলৈ এৰি প্ৰাচীন পুথিসংগ্ৰহ তথা প্ৰকাশ আৰু পুৰাতত্ব চৰ্চাত মনোনিৱেশ কৰিছিল ।

(C) জীৱন-জীৱিকাৰ নিষ্ঠুৰ সংগ্ৰামত কবিত্বক বিসৰ্জন দিব লগাত পৰিছিল ।

(D) সতীৰ্থ সাহিত্যিক সকলৰ লগত মনোমালিন্য হোৱা বাবে সাহিত্য চৰ্চা কৰিবলৈ এৰি দিছিল ।

**22.** "অসমীয়া ভাষা আৰ্য ভিন্ন ভাষাৰ সাগৰৰ মাজত থকা এটা সৰুদ্বীপ" ।

(A) অসমীয়া ভাষা প্ৰচলিত থকা অসম ৰাজ্যখন সমগ্ৰ উত্তৰ পূব ভাৰতৰ ৰাজ্যসমূহৰ মাজত থকা এটি ক্ষুদ্ৰ দ্বীপৰ দৰে ।

(B) আৰ্যভিন্ন ভাষাবোৰ সাগৰৰ দৰে আৰু আৰ্য ভাষাবোৰ দ্বীপৰ নিচিনা ।

(C) অসংখ্য আৰ্যভিন্ন ভাষাই অসমীয়া ভাষাক চাৰিওফালৰ পৰা ঘেৰি আছে ।

(D) উত্তৰ পূব ভাৰতত কোনো সাগৰ নাই, সেয়েহে ভাষা-সাগৰৰ কল্পনা কৰি লোৱা হৈছে ।

**23.** "প্ৰস্তৰৰ নিচিনাকৈ সমাজৰ আগৰ অৱস্থাৰ জীৱাশ্মীভূত ধ্বংসাৱশেষৰ সৈতে ভাষা সানমিহিলি হৈ থাকে ।"

(A) যিদৰে শিলৰ মাজত শিলিভূত জীৱাশ্ম সোমাই থাকে তেনেদৰে সমাজৰ অগেৰ অৱস্থাৰ সৈতোও ভাষা মিহলি হৈ থাকে ।

(B) ভাষা জীবাশ্মৰ নিচিনা আৰু সমাজ প্ৰস্তৰ খন্ডৰ নীচিনা বস্তু ।

(C) শিলৰ চিৰকাল অক্ষয় হৈ থকাৰ ক্ষমতা থকাৰ দৰে ভাষাও চিৰস্থায়ী ।

(D) ভাষা ধ্বংস হৈ থোৱাৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰা সমাজৰ কৰ্ত্তব্য ।



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**24.** "পাশ্চাত্য বা প্ৰাচ্য যিসকল পন্ডিত বেদৰ ক্ৰমিক বিকাশত বিশ্বাসী তিওঁলোকে ভাবে যে ঋগবেদৰ শেষৰ মন্ডলত চাৰি বৰ্ণৰ (ব্ৰাহ্মণ, ৰাজন্য বৈশ্য আৰু শূদ্ৰ) নাম পোৱা যায় যেতিয়া ঋক সংহিতা যুগৰ প্ৰথম ছোৱাত চাৰিবৰ্ণৰ অস্তিত্ব নাছিল ।"

(A) চাৰিওখন বেদ একে সময়তে সৃষ্টি হৈছিল আৰু বেদ সৃষ্টি হোৱা যুগতে চতুৰ্বৰ্ণও সৃষ্টি হৈছিল ।

(B) চতুৰ্বৰ্ণৰ উল্লেখ বেদত প্ৰথমৰেই পৰা পোৱা যায় ।

(C) চতুৰ্বৰ্ণ সৃষ্টিৰ সম্পূৰ্ণ কাহিনী প্ৰাচীনতম বেদ ঋকবেদতে পোৱা যায় ।

(D) বেদৰ বিকাশ ক্ৰমিক ভাবে হৈছিল । ঋকবেদৰ একেবাৰে শেষৰ মন্ডলত চতুৰ্বৰ্ণৰ উল্লেখ আছে । অতএব, বেদসংহিতা সৃষ্টিৰ আদি কালত চতুৰ্বৰ্ণৰ অস্তিত্ব নাছিল ।

**25.** "প্ৰতিক্ৰিয়াবাদী দৃষ্টিভংগীৰ প্ৰকৃতি বিকাশোন্মুখ নহয়, আৰু ই প্ৰাচীন ৰীতি পৰম্পৰা আৰু বিচাৰধাৰাৰ নিৰ্বিচাৰ সমৰ্থক । "

(A) প্ৰতিক্ৰিয়াবাদী বুলিলে বামপন্থী ৰাজনৈতিক আদৰ্শৰ বিৰোধিতা কৰা বুজায় আৰু ই ধ্বংসমুখীও ।

(B) প্ৰতিক্ৰিয়াবাদী দৃষ্টিভংগীয়ে প্ৰাচীন ৰীতি পৰম্পৰাৰ পোষকতা নকৰে ; ই প্ৰাচীন বিচাৰ ধাৰাৰ ও বিৰোধী ।

(C) প্ৰতিক্ৰিয়াবাদী দৃষ্টিভংগী বিকাশ বা প্ৰগতিৰ বিৰোধী; ই প্ৰাচীন মত আৰু বিচাৰৰ পক্ষপাতী ।

(D) প্ৰতিক্ৰিয়াবাদী দৃষ্টিভংগীয়ে আধুনিক চিন্তা আৰু কৰ্ম-তৎপৰতাত বিশ্বাস কৰে ।

তলৰ 26 ৰ পৰা 35 লৈ দিয়া প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী / লেখক / নৃগোষ্ঠীৰ যথাক্ৰমে প্ৰকাশন / জন্ম / প্ৰব্ৰজনৰ সময় অনুসাৰি একাদিক্ৰমে তালিকাবদ্ধ কৰি A, B, C, D চাৰিটা বিকল্প দিয়া হৈছে । তাৰে শুদ্ধ উত্তৰটো চিহ্নিত কৰা ।

**26.** (i) যতীন্দ্ৰনাথ দুৱৰা

(ii) নীলমণি ফুকন

(iii) পদ্মধৰ চলিহা

(iv) দন্ডিনাথ কলিতা

(A) (ii) (iv) (i) (ii)
(B) (i) (ii) (iii) (iv)
(C) (iv) (ii) (iii) (i)
(D) (ii) (i) (iii) (iv)

**27.** (i) ঊষা

(ii) জোনাকী

(iii) আসাম নিউচ

(iv) আসাম বিলাসিনী

(A) (i) (iii) (iv) (ii)
(B) (i) (ii) (iv) (iii)
(C) (iv) (iii) (ii) (i)
(D) (ii) (i) (iii) (iv)

**28.** (i) এৰি অহা দিনবোৰ

(ii) উপলা নদীৰ দৰে

(iii) জীৱন বীণৰ সুৰ

(iv) জীৱনৰেখা

(A) (iv) (i) (iii) (ii)
(B) (iii) (i) (ii) (iv)
(C) (i) (ii) (iii) (iv)
(D) (ii) (iv) (i) (iii)



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click Know More

**29.** (i) মাগধী অপভ্ৰংশ

(ii) লৌকিক সংস্কৃত

(iii) মহাৰাষ্ট্ৰী প্ৰাকৃত

(iv) অৱহট্‌ঠ

(A) (iv) (ii) (i) (iii)

(B) (iii) (ii) (i) (iv)

(C) (i) (ii) (iv) (iii)

(D) (ii) (iii) (i) (iv)

**30.** (i) অসমীয়া লিপি

(ii) ব্ৰাহ্মী লিপি

(iii) কুটিল লিপি

(iv) গুপ্ত লিপি

(A) (i) (iv) (ii) (iii)

(B) (ii) (iv) (iii) (i)

(C) (iii) (i) (ii) (iv)

(D) (i) (iii) (iv) (ii)

**31.** (i) গুৱাহাটী বিশ্ববিদ্যালয়

(ii) অ.ভা.উ.সা.

(iii) অসম সাহিত্য সভা

(iv) কহিমা সাহিত্য সভা

(A) (iii) (iv) (ii) (i)

(B) (ii) (i) (iv) (iii)

(C) (ii) (i) (iii) (iv)

(D) (iv) (ii) (iii) (i)

**32.** (i) চলন্ত অভিধান

(ii) চন্দ্ৰকান্ত অভিধান

(iii) অচমিয়া আৰু ইংৰাজি অভিধান

(iv) হেমকোষ

(A) (iv) (ii) (i) (iii)

(B) (iii) (iv) (ii) (i)

(C) (ii) (i) (iii) (iv)

(D) (i) (iii) (iv) (ii)

**33.** (i) হৰিশ্চন্দ্ৰ-উপাখ্যান

(ii) ৰাম বিজয়

(iii) গুনমালা

(iv) ৰুক্মিনীহৰণ কাব্য

(A) (i) (iv) (iii) (ii)

(B) (i) (iii) (ii) (iv)

(C) (iv) (ii) (i) (iii)

(D) (iii) (ii) (iv) (i)

**34.** (i) কাশীনাথ তামুলী ফুকনৰ আসাম বুৰঞ্জী

(ii) তুং খুঙ্গীয়া বুৰঞ্জী

(iii) বাঁহগড়ীয়া আতন বুঢ়াগোহাইৰ বুৰঞ্জী

(iv) পুৰনি অসম বুৰঞ্জী

(A) (iv) (i) (iii) (ii)

(B) (ii) (i) (iv) (ii)

(C) (iv) (iii) (ii) (i)

(D) (i) (iii) (ii) (iv)

**35.** (i) আখৰৰ জখলা

(ii) বিলাতী হোজা

(iii) পখিলা

(iv) ডাৱৰৰ সিপাৰে ধুনিয়া দেশ

(A) (ii) (i) (iv) (iii)

(B) (iii) (ii) (i) (iv)

(C) (ii) (iv) (iii) (i)

(D) (i) (iv) (iii) (ii)



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

তলব 36 ৰ পৰা 45 লৈ দিয়া প্ৰশ্নসমূহত ‘ক’ স্তম্ভত থকা বিষয়ৰ লগত সম্পৰ্ক থকা ‘খ’ স্তম্ভত দিয়া বিষয়সমূহক মিলাই A, B, C, D এই চাৰিটা বিকল্প দেখুওৱা হৈছে । তাৰে পৰাই শুদ্ধ উত্তৰটো চিহ্নিত কৰা ।

**36.**

| | স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ |
|---|---|---|---|
| (i) | ধ্বনি | 1. | অৰ্থ সংশ্লেষ |
| (ii) | শব্দ | 2. | প্ৰাকৃতি |
| (iii) | ৰূপতত্ত্ব | 3. | ক্ৰিয়া |
| (iv) | ধাতু | 4. | উচ্চাৰণ |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 1 | 3 | 2 | 4 |
| (B) | 4 | 1 | 2 | 3 |
| (C) | 3 | 2 | 1 | 4 |
| (D) | 2 | 1 | 3 | 4 |

**37.**

| | স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ |
|---|---|---|---|
| (i) | চন্দ্ৰধৰ বৰুৱা | 1. | কীচক বধ |
| (ii) | দুৰ্গেশ্বৰ শৰ্মা | 2. | মেঘনাদ বধ |
| (iii) | দণ্ডিনাথ কলিতা | 3. | ৰাৱণ বধ |
| (iv) | ৰমাকান্ত চৌধুৰী | 4. | বালিবধ |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 3 | 2 | 1 | 4 |
| (B) | 4 | 3 | 2 | 1 |
| (C) | 2 | 4 | 1 | 3 |
| (D) | 1 | 4 | 3 | 2 |

**38.**

| | স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ |
|---|---|---|---|
| (i) | ইলা ভনীটিলে মুকলি চিঠি | 1. | হলিৰাম ডেকা |
| (ii) | বিলাতৰ চিঠি | 2. | লীলা গগৈ |
| (iii) | নীলাখামৰ চিঠি | 3. | বিৰিঞ্চিকুমাৰ বৰুৱা |
| (iv) | অলকালৈ চিঠি | 4. | ললিত বৰুৱা |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 4 | 3 | 2 | 1 |
| (B) | 4 | 1 | 2 | 3 |
| (C) | 3 | 2 | 4 | 1 |
| (D) | 1 | 4 | 3 | 2 |

**39.**

| | স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ |
|---|---|---|---|
| (i) | ৰিবি গাছেং | 1. | বড়ো |
| (ii) | আৰনাই | 2. | আদি |
| (iii) | চিংকেত | 3. | খামতি |
| (iv) | গালে | 4. | মিচিং |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 1 | 3 | 4 | 2 |
| (B) | 3 | 2 | 1 | 4 |
| (C) | 2 | 4 | 3 | 1 |
| (D) | 4 | 1 | 3 | 2 |

**40.**

| | স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ |
|---|---|---|---|
| (i) | পদুমৰ নিচিনা মুখ | 1. | উৎপ্ৰেক্ষা |
| (ii) | তেওঁৰ মুখখন যেনিবা পদুম | 2. | সন্দেহ |
| (iii) | এইখন মুখ নে পদুমফুল | 3. | আতিশয়োক্তি |
| (iv) | এইপাহ পদুম | 4. | উপমা |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 4 | 1 | 2 | 3 |
| (B) | 1 | 3 | 4 | 2 |
| (C) | 2 | 1 | 3 | 4 |
| (D) | 3 | 2 | 1 | 4 |



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**41.** স্তম্ভ 'ক' — স্তম্ভ 'খ'

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|
| (i) অসমৰ পৰিৱেশ্য কলা ওজাপালি | 1. | বেনুধৰ শৰ্মা |
| (ii) আউনীআটী সত্ৰৰ বুৰঞ্জী | 2. | দীনেশ্বৰ শৰ্মা |
| (iii) মঙ্গলদৈৰ বুৰঞ্জী | 3. | তীৰ্থনাথ শৰ্মা |
| (iv) দক্ষিণপাট সত্ৰ | 4. | নবীনচন্দ্ৰ শৰ্মা |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 1 | 3 | 2 | 4 |
| (B) | 3 | 4 | 1 | 2 |
| (C) | 4 | 3 | 2 | 1 |
| (D) | 3 | 2 | 1 | 4 |

**42.**

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|
| (i) গীত গোবিন্দ | 1. | ভুবনেশ্বৰ বাচস্পতি |
| (ii) কৃষ্ণকৰ্ণামৃত | 2. | বিদ্যাপতি |
| (iii) কীৰ্তিলতা | 3. | বিল্বমঙ্গল |
| (iv) নাৰদীয় কথামৃত | 4. | জয়দেৱ |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 1 | 2 | 4 | 3 |
| (B) | 3 | 1 | 2 | 4 |
| (C) | 4 | 3 | 2 | 1 |
| (D) | 3 | 2 | 4 | 1 |

**43.**

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|
| (i) কুটিল লিপি | 1. | নাগৰী, শাৰদা |
| (ii) শাৰদা লিপি | 2. | গুজৰাটী, মহাজনী |
| (iii) গুপ্ত লিপি | 3. | অসমীয়া |
| (iv) নাগৰী লিপি | 4. | কাশ্মীৰী, গুৰুমুখী |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 1 | 4 | 3 | 2 |
| (B) | 3 | 2 | 4 | 1 |
| (C) | 2 | 1 | 3 | 4 |
| (D) | 4 | 3 | 1 | 2 |

**44.**

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|
| (i) শাক্ত তামসিক | 1. | ভট্টদেৱ |
| (ii) মুকন্দ কিঙ্কৰ | 2. | মাধৱ কন্দলি |
| (iii) কবি ৰত্ন | 3. | ৰাম সৰস্বতী |
| (iv) পূৰ্ব কবি | 4. | পীতাম্বৰ দ্বিজ |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 3 | 2 | 1 | 4 |
| (B) | 4 | 3 | 1 | 2 |
| (C) | 1 | 4 | 3 | 2 |
| (D) | 4 | 3 | 2 | 1 |

**45.**

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|
| (i) অদ্ভুত ৰস | 1. | ভক্তি |
| (ii) বীৰ ৰস | 2. | জুগুপ্সা |
| (iii) বিভৎস ৰস | 3. | বিস্ময় |
| (iv) শান্ত ৰস | 4. | উৎসাহ |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 1 | 2 | 3 | 4 |
| (B) | 3 | 4 | 2 | 1 |
| (C) | 2 | 3 | 4 | 1 |
| (D) | 1 | 4 | 3 | 2 |

তলত এটি অনুচ্ছেদ দিয়া হৈছে । এই অনুচ্ছেদটোত বিবৃত বিষয়ৰ সম্পৰ্কে তলত 46ৰ পৰা 50 লৈ পাঁচটা মন্তব্য আগবঢ়োৱা হৈছে আৰু এই মন্তব্যসমূহৰ কাৰ্য-কাৰণ ব্যাখ্যাৰ ভিত্তিত চাৰিটাকৈ বিকল্পধৰ্মী উত্তৰ A, B, C, D দিয়া হৈছে । এইকেইটাৰ মাজৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই চিহ্নিত কৰা ।

গ্ৰাম্য জীৱনতকৈ নাগৰিক জীৱনত কৃত্ৰিমতাৰ মাত্ৰা অধিক । তদুপৰি আধুনিক নগৰবিলাকৰ আৰ্হি আহিছে পশ্চিমৰ পৰা । কৃষিমুখী প্ৰকৃতি নিৰ্ভৰ মানুহৰ জীৱন-যাত্ৰাৰ পদ্ধতি পৰমুখাপেক্ষী বজাৰ নিৰ্ভৰ নগৰীয়া মানুহতকৈ



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

মুকীয়া হোৱাটো স্বাভাৱিক । নগৰত শিক্ষাৰ প্ৰসাৰ সাধন হয় ব্যাপকভাবে । তদুপৰি জীৱন-নিৰ্বাহৰ আধুনিক সমলবোৰ নগৰীয়া মানুহে অলপ আয়াসতে লাভ কৰে । আনপিনে শ্ৰমজীৱী কৃষকতকৈ নগৰীয়া বুদ্ধিজীৱীৰ উপাৰ্জন হয় অধিক । অন্তত: ধন হাততে পায় । সংস্কৃতিৰ সুঁতি সলনি কৰাত আৰ্য-সামাজিক উপাদনৰ প্ৰভাৱ অতি শক্তিশালী । ধনেৰে কিনিব পৰা সহজলভ্য আধুনিক আহিলাবোৰ লৈ প্ৰাচীন ৰীতি-নীতি ত্যাগ কৰাটো বা পুৰনি আহিলাবোৰলৈ আওহেলা হোৱাটো স্বাভাৱিক । ৰন্ধন-গেছ বা কেৰাচিন ষ্টোভত ৰন্ধাবঢ়া কৰাৰ সুবিধা পালে জুইৰ চৌকা বা উধান এৰি পেলোৱাটো আৰু লগে লগে পানীচাংখনে মেলানি মাগিবলগীয়াটো নিয়মেই, ব্যতিক্ৰম নহয় । বজাৰৰপৰা কিনি আনি চাউল খাবলৈ পালে ঢেঁকীত ধান-বনাৰ প্ৰয়োজন নাই । এইদৰে ষ্টোভত বা গেছত বেঙেনাৰ পৰা পিটিকা, খৰিকাত দিয়া মাছ খাবলৈ আশা কৰাটো মিছা । এইবোৰ পৰম্পৰা মৰী আহিবলৈ বাধ্য । সেইদৰে সহজলভ্য বজুৰুৱা মিঠাই বা বিস্কুট আদিয়ে ধান-চাউলৰপৰা তৈয়াৰী জা-জলপান খেদি পঠিওৱাটোত আচৰিত হ'বলগীয়া একো নাই । তদুপৰি নগৰত পোৱা আধুনিক সা-সুবিধাখিনিৰ বাবেই মধ্যবিত্ত গাঁৱলীয়া মানুহৰ সোঁত বৈছে নগৰলৈ আৰু সংস্কৃতি ও নগৰমুখী হৈ উঠিছে । অসমত কৃষিজীৱী মানুহৰ অৱস্থা পৰি অহাৰ লগে লগে বিখ্যাত বিহু উৎসৱৰ পয়োভৰ কমি আহিছে । এই উৎসৱৰ উপভোগ্য গীত-মাতখিনি অনুকৰণ কৰি নগৰীয়া মঞ্চত পতা অনুষ্ঠান চাবলৈ, গাঁৱৰ মানুহ নগৰলৈ ঢাপলি মেলে আনপিনে আৰ্থিক অনাটনেও বিলাস-পয়োভৰ ত্যাগা কৰিবলৈ বাধ্য কৰিছে । নগৰৰ সমাজ সান-মিহলি গাৱঁত গোষ্ঠীগত বা জনজাতীয় ৰক্ষণশীলতাৰ যিবোৰ লক্ষণ থাকে, সেইবোৰ নগৰত নাথাকে, ফলত প্ৰত্যেকেই নিজৰ নিজৰ কিছুমান ৰীতি-নীতি এৰি সমাজত খাপ খাবলৈ চেষ্টা কৰে ; ফলত পৰমপৰাগত সংস্কৃতিত খহনিয়া হয় আৰু লোকসংস্কৃতিৰ পৰিৱৰ্তন ঘটায় । এই ক্ষেত্ৰত নাগৰিক জীৱনৰ এই প্ৰভাৱ লোকসংস্কৃতিৰ ওপৰত অতি শক্তিশালী ।

**46.** 'সংস্কৃতিৰ সুঁতি সলনি কৰাত আৰ্য-সামাজিক উপাদনৰ প্ৰভাৱ অতি শক্তিশালী'

(A) উৎপাদন, বিতৰণ আদি অৰ্থব্যৱস্থাৰ লগত জড়িত বিষয়বোৰ আৰু জাত-পাত, ধৰ্ম, পৰিয়াল আদি সামাজিক বিষয়বোৰকে সাধাৰণভাবে আৰ্থ-সামাজিক উপাদান বুলিব পাৰি ।

(B) আৰ্থ-সামাজিক বুলি ক'লে বুজিব লাগিব বিজ্ঞান – প্ৰযুক্তিয়ে অনা পৰিৱৰ্তনবোৰ ।

(C) নগৰীয়া জীৱনৰ লগত জড়িত বিষয়বোৰ যেনে – ক্ষুদ্ৰ পৰিয়াল ব্যৱস্থা, গাড়ী-ঘৰ সামাজিক মৰ্যাদা আৰু ধনাৰ্জনৰ বাবে প্ৰতিযোগিতা তথা ব্যক্তিকেন্দ্ৰিকতা - এইবোৰেই আৰ্থ-সামাজিক উপাদান

(D) আৰ্থ-সামাজিক উপাদান নগৰ কেন্দ্ৰিক জীৱনৰ লগতহে জড়িত ।



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click Know More

**47.** ...... “সংস্কৃতি ও নগৰমুখী হৈ উঠিছে ।”

(A) সংস্কৃতি আৰু নগৰ পৰস্পৰ বিপৰীতমুখী ।

(B) নগৰত সংস্কৃতি বৰ্তি থাকিব নোৱাৰে ।

(C) সংস্কৃতি মূলতঃ কৃষি আৰু গ্ৰাম ভিত্তিক আছিল এতিয়া নগৰৰ প্ৰভাৱ অপৰিসীম ।

(D) সংস্কৃতি চলমান বস্তু আৰু ই সদায় গাৱঁৰপৰা নগৰলৈ যাত্ৰা কৰে ।

**48.** ‘বিহু উৎসৱৰ উপভোগ্য গীত-মাতখিনি অনুকৰণ কৰি নগৰীয়া মঞ্চত পতা অনুষ্ঠান চাবলৈ গাৱঁৰ মানুহ নগৰলৈ ঢাপলি মেলে ।’

(A) নগৰৰ মানুহ গাঁৱলৈ কেতিয়াও নাযায়, সদায় গাঁৱৰ মানুহহে নগৰলৈ দৌৰে ।

(B) বিহু উৎসৱৰ লগত জড়িত গীত মাতখিনি নগৰীয়া মানুহেহে উপভোগ কৰিব পাৰে ।

(C) নগৰৰ মঞ্চত সম্পূৰ্ণকৈ নতুন এক প্ৰকাৰ বিহু-অনুষ্ঠান সৃষ্টি কৰা হৈছে ।

(D) গাঁৱৰ বিহুকে ভিত্তি কৰি তাকে সজাই-পৰাই-নগৰৰমঞ্চত উপৱেশন কৰা হয় । সেয়ে গাঁৱলীয়া মানুহৰ আকৰ্ষণ কাৰণ ।

**49.** ‘গাঁৱত গোষ্ঠীগত বা জনজাতীয় ৰক্ষণশীলতাৰ যিবোৰ লক্ষণ থাকে, সেইবোৰ নগৰত নাথাকে,ফলত পৰম্পৰাগত সংস্কৃতিত খহনীয়া হয় আৰু লোক সংস্কৃতিৰ পৰিবৰ্তন ঘটায়’

(A) গাঁৱত সদায় ভিন ভিন গোষ্ঠীৰ মাজত সংঘৰ্ষ অব্যাহত থাকে, নগৰত সেয়া নাই । সেয়ে গাঁৱৰ সংস্কৃতিত ব্যাপক খহনীয়া হয় ।

(B) গাঁৱত ভিন ভিন গোষ্ঠীয়ে নিজ বৈশিষ্ট্য ৰক্ষা কৰি চলে, জনজাতীয় সকলেও নিজৰ বৈশিষ্ট্য ত্যাগ কৰিবলৈ ভাল নাপায় । কিন্তু নগৰীয়া সমাজ উদাৰ । তেনে উদাৰ আৰু মিশ্ৰিত সমাজত পাৰম্পৰিক সংস্কৃতিৰ বৈশিষ্ট্যবোৰ অপৰিবৰ্তিত হৈ নথকাই স্বাভাৱিক ।

(C) নগৰত সা-সুবিধা বেছি, মনেৰেকহনৰ উপাদানও অনেক । বিপৰীতে গাঁৱত সা-সুবিধাৰ অভাৱ আৰু মানাসিক উৎকৰ্ষতাৰ পৰিৱেশ নাই । সেয়ে লোকসংস্কৃতিৰ পৰিবৰ্তন ঘটে ।

(D) লোকসংস্কৃতিৰ ‘লোক’ শব্দই সাধাৰণতে শিক্ষা-দীক্ষাত পিচপৰা অৰ্থনৈতিকভাৱে ও দুৰ্বল মানুহক বুজায় - আৰু এনেলোকৰ কোনো ‘সংস্কৃতি’ ও থাকিব নোবাৰে । সংস্কৃতি সদায় সমাজৰ উন্নত শ্ৰেণীৰ মানুহৰহে বস্তু ।

**50.** “আৰ্থিক অনাটনেও বিলাস পয়োভৰ ত্যাগ কৰিবলৈ বাধ্য কৰিছে ।” ইয়াৰ উদ্দেশ্য হ’ল -

(A) অসমত কৃষিজীৱী মানুহৰ অৱস্থা পৰি অহাৰ লগে লগে বিখ্যাত – বিহু উৎসৱৰ পয়োভৰ কমি আহিছে ।

(B) নগৰৰ মঞ্চত বিহুৰ পয়োভৰে ইয়াৰ প্ৰকৃত ৰূপ ব্যাহত কৰিছে ।

(C) সাধাৰণ মানুহৰ আৰ্থিক দুৰৱস্থাই বিহুৰ আনন্দ ত্যাগ-কৰিবলৈ বাধ্য-কৰিছে ।

(D) গ্ৰাম্য সমাজৰ বিহু গীত-নৃত্যই নগৰৰ সমাজত বিশেষ গুৰুত্ব পোৱা নাই ।



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

prepp

# Latest Sarkari jobs, Govt Exam alerts, Results and Vacancies

- Latest News and Notification
- Exam Paper Analysis
- Topic-wise weightage
- Previous Year Papers with Answer Key
- Preparation Strategy & Subject-wise Books

To know more **Click Here**

www.prepp.in